**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-10-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

শাৰদীয় দুৰ্গা পূজা উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ব্যাপক উৎসাহ-উদ্দীপনাই বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ যথাবিহিত ৰীতি-নীতিৰে আৰম্ভ হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পূজা মণ্ডপসমূহ ভিন ভিন বিষয় লৈ আটকধুনীয়াকৈ আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। ইপিনে, ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহত নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা চলি আছে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই শাৰদীয় দুৰ্গা পূজা উপলক্ষে অসমৰ জনসাধাৰণক আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে দিয়া এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয় যে দুৰ্গা পূজা উদযাপনে অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয় সাব্যস্ত কৰাৰ কথাকে প্ৰতীয়মান কৰে। ৰাজ্যপালগৰাকীয়ে পৰিৱেশৰ হানি নকৰাকৈ সকলো লোককে পূজাৰ আনন্দ উপভোগ কৰিবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দুৰ্গোৎসৱ উপলক্ষে দিয়া বাৰ্তাত কয় যে বৈদিক যুগৰে পৰা প্ৰচলিত দুৰ্গা পূজাই মূল্যবোধ তথা মানৱতাবোধৰ আঁধাৰত আগুৱাই যাবলৈ সকলোকে অনুপ্ৰাণিত কৰে। অপশক্তি নাশৰ দ্বাৰা শক্তিৰূপা দুৰ্গতিনাশিনী দেৱীয়ে শুভ শক্তিক প্ৰতিষ্ঠা কৰাটোৰে প্ৰতীকিভাৱে অসত্যৰ বিপৰীতে সত্যৰ জয় সুনিশ্চিত কৰে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে। ডº শৰ্মাই আজি কামৰূপ মহানগৰ জিলাৰ বিভিন্ন পূজা মণ্ডপত উপস্থিত হৈ পূজাৰ কাৰ্যসূচীত অংশ লয়। তেওঁ আজাৰা, কাঁহিকুছি আৰু পাটগাঁৱৰ দুৰ্গাপূজাথলীত উপস্থিত হয়।

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি তিনিচুকীয়া জিলাৰ চলিহা বৰদলৈ নগৰত দুৰ্গা পূজা থলীত উপস্থিত হোৱাৰ লগতে জিলাখনৰ দাহাল বাবা মন্দিৰ দৰ্শন কৰি সেৱা আগবঢ়ায়। তেওঁ জিলাখনৰ মানৱ কল্যাণ পূজা ভৱনত ৰাইজৰ সৈতে মত বিনিময় কৰে।

ইপিনে, **গুৱাহাটী** মহানগৰীৰ চাৰি শতাধিক পূজাথলীত শাৰদীয় পূজা উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। আজি ষষ্ঠী পূজাৰ দিনাই পূজাথলীসমূহত বহুলোকৰ সমাগম হৈছে। ইপিনে, ৰাজ্যৰ অন্যান্য জিলাসমূহতো দুৰ্গা পূজা উপলক্ষে ব্যাপক আয়োজন কৰা হৈছে। **বজালী** জিলাৰ বিভিন্ন অঞ্চলৰ লগতে গড় বজাৰত পাঁচদিনীয়া কাৰ্যসূচীৰে পূজাৰ আয়োজন কৰা হৈছে। পূজাৰ কাৰ্যসূচীৰ অংশ হিচাপে দিহানাম প্ৰতিযোগিতা নৃত্যানুষ্ঠান আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। **বাক্সা** জিলাৰ চাপাগুৰি আৰু ককলাবাৰী মৌজাক সামৰি স্থাপিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীকুঁজিদেওৰ দেৱালয়ত আজিৰেপৰা শাৰদীয় পূজা অনুষ্ঠিত হৈছে। আজি পুৱা স্বচ্ছতা অভিযান, মুখ্য দ্বাৰ উদ্ঘাটন, পতাকা উত্তোলন আৰু গছপুলি ৰোপণ কৰা হয়। সন্ধিয়াৰ ভাগত সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলাখনত শাৰদীয় দুৰ্গা পূজাৰ আয়োজন সম্পৰ্কে আমাৰ বাক্সাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে কয় –

(ভইচ)

ooooooo

ৰাজহুৱা শান্তি-শৃংখলা বৰ্তাই ৰখাৰ লক্ষ্যৰে অসম আবকাৰী আইনৰ অধীনত অহা ১৩ অক্টোবৰত বিভিন্ন জিলাত সুৰা নিষিদ্ধ ঘোষণা কৰা হৈছে। বৰপেটা জিলাতো ২৪ ঘণ্টাৰ বাবে সুৰা নিষিদ্ধ কৰা হৈছে। ১৩ অক্টোবৰত পালন কৰিবলগীয়া শ্ৰীমন্ত শংকৰদেৱৰ আৱিৰ্ভাৱ তিথি আৰু বিজয়া দশমীৰ বাবে এই নিৰ্দেশনা ২৪ ঘণ্টাৰ বাবে বাহাল থাকিব। এই দিনা জিলাখনৰ সকলো ধৰণৰ সুৰাৰ বিপণী, ৰেৰহাউছ আদি সম্পূৰ্ণৰূপে বন্ধ ৰাখিবলৈ নিৰ্দেশনাটোত উল্লেখ কৰা আছে।

ইপিনে, গোলাঘাট জিলাৰ আবকাৰী বিভাগে অবৈধ সুৰাৰ প্ৰচলন ৰোধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ কেইবাটাও স্থানত আবকাৰীৰ দলে অভিযান চলাই অবৈধ সুৰাৰ লগতে সুৰা প্ৰস্তুত কৰা সামগ্ৰী নষ্ট কৰে। অভিযানৰ সময়ছোৱাত আবকাৰী বিভাগে কেইবাজনো লোকৰ বিৰুদ্ধে ১০টা গোচৰ ৰুজু কৰিছে।

০০০০০০০

কেন্দ্ৰীয় পৰ্যটন দপ্তৰৰ মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱটৰ অধ্যক্ষতাত আজি ভিডিঅ' কনফাৰেঞ্চযোগে অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত ৰাজ্যৰ পৰ্যটন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই অংশগ্ৰহণ কৰে। এই বৈঠকত ৰাজ্যসমূহলৈ মূলধনী বিনিয়োগৰ বাবে আগবঢ়োৱা বিশেষ সাহায্যৰ বিষয়ে আলোচনা কৰা হয়। ৰাজ্যসমূহৰ বিখ্যাত পৰ্যটনস্থলীসমূহ বিশ্বমানলৈ উন্নীত কৰি বহনক্ষম পৰ্যটনৰ যোগেদি স্থানীয় লোকৰ নিযুক্তি সৃষ্টি কৰাৰ বিষয়েও বৈঠকত আলোচনা কৰা হয় বুলি মন্ত্ৰী শ্ৰী মল্লবৰুৱাই সামাজিক মাধ্যমযোগে জানিবলৈ দিয়ে। তেওঁ কয় যে কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ৰ এই প্ৰচেষ্টাৰ জৰিয়তে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব।

০০০০০০০০

ভাৰত আৰু বাংলাদেশৰ মাজৰ তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি নতুন দিল্লীত অনুষ্ঠিত হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত অনুষ্ঠিত হ'ব। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলটো শৃংখলাত ১-০ ব্যৱধানত আগবাঢ়ি আছে। ভাৰতে গোৱালিয়ৰত অনুষ্ঠিত প্ৰথমখন খেলত ৭ উইকেটত জয়লাভ কৰিছিল।

০০০০০০০

**সমাপ্ত**